

৯.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ যি পৰিস্থিতি বা চৰ্তই ব্যক্তিৰ স্বাভাৱিক জীৱন-যাপনত বাধাৰ সৃষ্টি কৰে তাক পৰিৱেশীয় প্ৰতিবন্ধকতা বা হেঁচা বুলি কোৱা হয়। পৰিৱেশীয় প্ৰতিবন্ধকতা সমূহে অপকৃষ্ট মূলক কিছুমান কাৰ্যৰ জৰিয়তে ব্যক্তিৰ পাৰদৰ্শিতাক হস্তক্ষেপ কৰে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ হানচ্ শ্বেলীৰ মতে "প্ৰতিবন্ধকতা হৈছে কোনো দাবীৰ প্ৰতি কৰা জীৱিত প্ৰাণীৰ বিশেষ বিহীন প্ৰতিক্ৰিয়া।"

৩ নং প্ৰশ্নৰ উত্তৰ ঃ মানুহ এজনৰ স্বাভাৱিক জীৱনত এনে ধৰণৰ কিছুমান স্বাভাৱিক বা দৈনন্দিন পৰিঘটনা সংঘটিত হ'ব পাৰে যি সমূহে ব্যক্তিক হতাশাগ্ৰস্ত চিন্তনীয় তথা অস্বস্তিকৰ কৰি তুলিব পাৰে। এই ধৰণৰ পৰিঘটনাক সূক্ষ্ম প্ৰতিবন্ধকতা হিচাপে অভিহিত কৰা হয়।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ সৃষ্টিমূলক কাৰকৰ ওপৰত ভিত্তি কৰি পৰিৱেশীয় প্ৰতিবন্ধকতাসমূহক প্ৰধান দুটা ভাগত ভাগ কৰা হয়।

(১) প্ৰাকৃতিক প্ৰতিবন্ধকতা

(২) মানৱ-প্ৰবৃত্ত প্ৰতিবন্ধকতা

৫ নং প্ৰশ্নৰ উত্তৰ ঃ পৃথিৱী আৰু মহাকাশৰ অন্যান্য গ্ৰহ সমূহৰ মাজত সংঘৰ্ষৰ ফলত সৃষ্টি হোৱা বিপৰ্যয় সমূহক অন্যান্য গ্ৰহজনিত প্ৰতিবন্ধকতা হিচাপে অভিহিত কৰা হয়। পৃথিৱীৰ মেৰুদণ্ডৰ ঘূৰ্ণনৰ পৰিৱৰ্তনক এই সংঘৰ্ষৰ ফলতে হোৱা বুলি কোৱা হয়।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাসায়নিক প্ৰতিবন্ধকতাৰ কিছুমান উদাহৰণ হৈছে বিষাক্ত ৰাসায়নিক পদাৰ্থ, বিষাক্ত গেছ, পাৰমাণৱিক বিস্ফোৰণ, ট্ৰেংকাৰত ছিদ্ৰ সমূহে নদী, সাগৰ মহাসাগৰত পেলোৱা পদাৰ্থসমূহ, গেছৰ ছিদ্ৰ তথা অশোধিত তেল ইত্যাদি উল্লেখনীয়।



৯.৯ আৰ্হি প্ৰশ্ন

(ক) অতি চমু প্ৰশ্ন (প্ৰায় ৫০ টা শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন **১** ঃ পৰিৱেশীয় প্ৰতিবন্ধকতাৰ অৰ্থ লিখক।

প্ৰশ্ন **২** ঃ পৰিৱেশীয় প্ৰতিবন্ধকতা প্ৰকৃতিৰ দ্বাৰা প্ৰবৃত্ত মানুহৰ দ্বাৰা নহয় (শুদ্ধ নে অশুদ্ধ লিখক)।

প্ৰশ্ন **৩** ঃ পৰিৱেশীয় বিপৰ্যয় সংগঠিত হয় ..... ৰ বাবে (খালী ঠাই পূৰ কৰক)।

প্ৰশ্ন **৪** ঃ মানৱ সৃষ্ট বিপৰ্যয় সমূহ লিখক।

(খ) চমু প্ৰশ্ন (প্ৰায় ১৫০ শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন **১** ঃ ভৌতিক প্ৰতিবন্ধকতাৰ বিষয়ে লিখক।

প্ৰশ্ন ২ ঃ মানৱ প্ৰবৃত্ত প্ৰতিবন্ধকতাৰ বিষয়ে চমুকৈ বৰ্ণনা কৰক।

প্ৰশ্ন ৩ ঃ উদ্ভিদৰ ওপৰত বায়ু প্ৰদূষণৰ প্ৰভাৱ সম্পৰ্কে লিখক।

প্ৰশ্ন ৪ ঃ জলচৰ জীৱৰ ওপৰত পানী প্ৰদূষণৰ প্ৰভাৱ সম্পৰ্কে লিখক।

(গ) দীঘল প্ৰশ্ন (প্ৰায় ৩০০-৫০০ শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ পৰিৱেশীয় প্ৰতিবন্ধকতাৰ বিভিন্ন প্ৰকাৰৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ ব্যক্তিৰ শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ ওপৰত বিভিন্ন পৰিৱেশীয় প্ৰতিবন্ধকতাৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ মানুহৰ জীৱনত শব্দ প্ৰদূষণৰ প্ৰভাৱৰ সম্পৰ্কে আলোচনা কৰক।

*** ***** ***